**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-MAY-2026 **Time :** 12.05 Hrs

## *Headlines*

১। জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

২। আজি ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন ।

৩। কেন্দ্ৰীয় চৰকাৰৰ অষ্টম দৰমহা আয়োগত অনুমোদন।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ আৰু পাঞ্জাব কিংছ মুখামুখি।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰিছে।

ইয়াৰ আগেয়ে, ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনত নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। বিজেপি নেতৃত্বাধীন এন ডি এৰ বিধায়িনী দলে সৰ্বসন্মতি ক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মাক নেতা হিচাপে বাচনি কৰাৰ পাছত তেওঁ কালি মিত্ৰজোঁটৰ নেতাসকলৰ সৈতে ৰাজ্যপালগৰাকীৰ ওচৰত আনুষ্ঠানিকভাৱে চৰকাৰ গঠনৰ দাবী জনায়। ড° শৰ্মাই লোকভৱনত ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি নৱনিৰ্বাচিত ১০২ গৰাকী বিধায়কৰ স্বাক্ষৰ সম্বলিত প্ৰস্তাৱ দাখিল কৰে।

শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যানবাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কইনাধৰাৰ পৰা বিমান বন্দৰলৈ গধূৰ আৰু ধীৰ গতিৰ বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকিব। কইনা ধৰাৰ পৰা জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় পইণ্টলৈকে কেৱল পথৰ এটা ফালেৰেহে যান-বাহন চলাচলৰ অনুমতি দিয়া হ'ব। এই পথছোৱাৰে ট্ৰাক, ডাম্পাৰ আদি গধূৰ বাহন চলাচল কৰিব নোৱাৰিব। জনসাধাৰণক অসুবিধা এৰাই চলাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰিৱৰ্তে জি এছ ৰোড ব্যৱহাৰ কৰিবলৈ আৰু বিমান বন্দৰলৈ যোৱা যাত্ৰীসকলক কমেও দুঘণ্টা আগতে যাবলৈ অনুৰোধ জনোৱা হৈছে। নিৰ্দেশনা অনুসৰি ২৭ নম্বৰ আৰু ১৭ নম্বৰ ৰাষ্টীয় ঘাইপথৰ চাৰ্ভিচ লেনৰ লগতে বতাহঘূৰি, পাঞ্জাবাৰী, ছয়মাইল, খানাপাৰ আদি অঞ্চলৰ ৰাস্তাৰ কাষত যান বাহন ৰখাই থ'ব নোৱাৰিব। শপত গ্ৰহণ অনুষ্ঠানলৈ অহা বাহনসমূহৰ বাবে সৰুসজাই, বশিষ্ঠ

পথ, ছহীদ ন্যাস পথত পাৰ্কিঙৰ ব্যৱস্থা কৰা হ'ব বুলি যান-বাহন আৰক্ষী উপ আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ, পেট্ৰ'ল আৰু ডিজেলৰ ব্যৱহাৰত মিতব্যয়ী হ'বলৈ আৰু বিদেশী মুদ্ৰা জমা ৰাখিবলৈ আহ্বান জনাইছে। হায়দৰাবাদত কালি এটা জনসমাৱেশত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াৰ যুদ্ধই পেলোৱা প্ৰভাৱ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। শ্ৰী মোদীয়ে ঘৰৰ পৰা কাম কৰা অৰ্থাৎ ৱৰ্ক ফ্ৰম হোম, অনলাইন আলোচনা, ভিডিঅ' কনফাৰেন্সৰ দৰে ব্যৱস্থাসমূহ পুনৰ গ্ৰহণৰ বাবে আহ্বান জনায়। পশ্চিম এছিয়াৰ সংঘৰ্ষ তথা হৰমুজ প্ৰণালীৰে তেল পৰিবাহী আৰু বাণিজ্যিক জাহাজৰ চলাচলত বাধা আৰোপৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি খনিজ তেলৰ দাম প্ৰতি বেৰেলত ৭০ ডলাৰৰ পৰা প্ৰায় ১২৬ ডলাৰলৈ বৃদ্ধি পোৱাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ প্ৰতি এই আহ্বান জনাইছে। শ্ৰী মোদীয়ে লগতে জনসাধাৰণক খোৱা তেলৰ ব্যৱহাৰ কমোৱাৰ লগতে কৃষকসকলক বিদেশৰ পৰা ৰপ্তানি কৰা ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ আহ্বান জনায়। পুনৰ আমদানিত বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰা ব্যৱহাৰ হয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooooo

ডিমা হাচাও জিলাৰ হাফলঙত আজি ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছে। অনুষ্ঠানত পৰিষদৰ সফলতা, জিলাখনৰ সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰা হৈছে।

জিলাখনত স্বায়ত্তশাসিত পৰিষদৰ ঐতিহাসিক যাত্ৰা আৰু ডিমা হাচাওৰ জনসাধাৰণৰ সেৱা আৰু জিলাখনৰ উন্নতিৰ বাবে পৰিষদৰ পদক্ষেপসমূহক উদযাপন কৰাৰ উদ্দেশ্যে পৰিষদে এই অনুষ্ঠানৰ আয়োজন কৰিছে। পুৱা ১০ বাজি ১৫ মিনিটত আৰম্ভ হোৱা এই অনুষ্ঠানত অতিথিসকলক বিশেষকৈ মৌজাদাৰ, গাঁওবুঢ়া, শিক্ষাৰ্থী আৰু বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিনিধিসকলক আদৰণি জনোৱা হয়। ইয়াৰ পাছতে অনুষ্ঠান উপলক্ষে স্থাপন কৰা বিভিন্ন বিপণী মুকলি কৰাৰ লগতে ঠায়ে ঠায়ে গছপুলি ৰোপণ কৰা হয়। এই অনুষ্ঠানতেই পৰিষদৰ প্ৰয়াত মুখ্য কাৰ্যবাহী ছেমুৱেল ছেংচনৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। বৰ্তমান ডিমা হাচাও জিলাৰ প্ৰশাসনৰ গুৰুত্বপূৰ্ণ সাফল্যসমূহ সামৰি নিৰ্মাণ কৰা এখন চুটি তথ্যচিত্ৰও প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠানত পাহাৰীয়া জিলাখনত বসবাস কৰা ডিমাচা, জেমি, কুকী, হামাৰ, বাইটে, কাৰ্বি, জয়ন্তীয়া, ৰাংখোল আদি জনগোষ্ঠীৰ চহকী কৃষ্টি-সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব। ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱ'লাল গাৰ্লোচাৰ ভাষণেৰে দিনজোৱা কাৰ্যসূচীৰ অন্ত পৰিব।

oooooooo

কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগত অনুমোদন জনাইছে। অহা বছৰ কাৰ্যকৰী হোৱাৰ সম্ভাৱনা থকা অষ্টম দৰমহা আয়োগৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ বেতন উল্লেখনীয়ভাৱে বৃদ্ধি পাব। এই অনুসৰি কৰ্মচাৰীসকলৰ মূল বেতন ৫০ হাজাৰ টকা হোৱাৰ সম্ভাৱনা আছে। পৰিসংখ্যা অনুসৰি প্ৰথম দৰমহা আয়োগৰ পৰা সপ্তম দৰমহা আয়োগৰ পৰ্যন্ত কৰ্মচাৰীসকলৰ বেতন ৩২৮ গুণ বৃদ্ধি পাইছে। অষ্টম দৰমহা আয়োগত

কৰ্মচাৰীয়ে লাভ কৰা বিভিন্ন ভাট্টা বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হৈছে। চলিত বছৰৰ পহিলা জানুৱাৰীৰ পৰা সময়সীমা নিৰ্ধাৰণেৰে অষ্টম দৰমহা আয়োগ অহা বছৰৰ পৰা কাৰ্যকৰী কৰাৰ সম্ভাৱনা আছে। এই সময়সীমাৰ বৰ্ধিত বেতন এৰিয়াৰ হিচাপে কৰ্মচাৰীসকলে লাভ কৰিব। পেঞ্চনপ্ৰাপ্ত লোকসকলেও অষ্টম দৰমহা আয়োগৰ সুফল লাভ কৰিব।

oooooooo

ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সন্মান আগবঢ়োৱা হৈছে। অহা ১৬ মে'ত গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনোৱা মতে সাহিত্য সভাৰ সাংবিধানিক এই সন্মান এইবাৰ ধেমাজিৰ বিশিষ্ট গৱেষক, চিত্ৰকৰ, লেখক, ড০ পুষ্প গগৈ, ডিব্ৰুগড়ৰ চাহ খেতিয়ক তথা সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোদিয়া, নগাঁৱৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সাহিত্যিক উপেন্দ্ৰ বৰকটকী, গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা আৰু বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিশিষ্ট লেখক, কবি তথা গৱেষক নোমল মাহাট্টালৈ আগবঢ়োৱা হৈছে।

ooooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে গুৱাহাটী মহানগৰীৰ গাতে লাগি থকা গড়ভঙা সংৰক্ষিত বনাঞ্চলক বন্য প্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰা অধিসূচনা বাতিল কৰা সন্দৰ্ভত ৰাজ্য চৰকাৰলৈ জাননী জাৰি কৰিছে। ন্যায়ালয়ে সমগ্ৰ বিষয়টো সন্দৰ্ভত পাঁচ আগষ্টৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ বন বিভাগক সময়সীমা নিৰ্ধাৰণ কৰি দিছে। সাংবাদিক ৰাজীৱ ভট্টাচাৰ্য আৰু সমাজকৰ্মী সুব্ৰত তালুকদাৰে দাখিল কৰা দুখন সুকীয়া জনস্বাৰ্থ জড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে কালি এই নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে ২০২২ চনৰ মাৰ্চত প্ৰাথমিক অধিসূচনা জাৰি কৰি গুৱাহাটীৰ উপকণ্ঠ অঞ্চলত অৱস্থিত গড়ভঙা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ১১৭ বৰ্গ কিলোমিটাৰ ভূমি বন্য প্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰিছিল যদিও ২০২৩ চনৰ ছেপ্তেম্বৰত ৰাজ্যিক কেবিনেটৰ সিদ্ধান্তৰ পিছত কোনো নিৰ্দিষ্ট কাৰণ উল্লেখ নকৰাকৈ এই বিষয়ক অধিসূচনাখন বাতিল কৰা হয়।

ooooo

ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ প্ৰচেষ্টা তথা কৃষিজাত আৰু প্ৰসংস্কৰিত খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণ এপিডাৰ সহযোগত কালি বাক্সা জিলাৰ কৃষকৰ দ্বাৰা উৎপাদিত ২০ মেট্ৰিকটন মৌ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ ৰপ্তানি কৰা হয়। এই উপলক্ষে খানাপাৰাৰ কৃষি ভৱনত আয়োজিত এটা অনুষ্ঠানত কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজোৰিয়াই এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে। বাক্সা জিলাৰ পাঁচ শতাধিক কৃষকৰ পৰা সংগ্ৰহ কৰা এই মৌখিনি এপিডাৰ পঞ্জীয়নভুক্ত ৰপ্তানিকাৰী ছল্ট ৰেঞ্জ ফুডছ্ প্ৰাইভেট লিমিটেডৰ জৰিয়তে আমেৰিকালৈ প্ৰেৰণ কৰা হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি কৃষি বিভাগৰ আয়ুক্তসচিব ৰাজোৰিয়াই কয়, যে অকল বাক্সাই নহয় ৰাজ্যৰ বহু অঞ্চলত মৌৰ উৎপাদন হৈ আছে। এখন জিলা, এবিধ সামগ্ৰী প্ৰকল্পৰ অধীনত প্ৰথমবাৰলৈ বাক্সা জিলাৰ পৰা ২০ মেট্ৰিকটন মৌ আমেৰিকালৈ পৰীক্ষামূলকভাৱে প্ৰেৰণ কৰা হৈছে

আৰু পৰৱৰ্তী সময়ত ৰাজ্যৰ আন জিলাবোৰো এই প্ৰকল্পৰ অধীনত অন্তৰ্ভুক্ত হ'ব বুলি আয়ুক্ত সচিব গৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

আই পি এল ক্ৰিকেটক লৈ চলি থকা এটা অনলাইন জুৱা চক্ৰৰ বিৰুদ্ধে শিলচৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই ৪ জন লোকক আটক কৰে। আৰক্ষীয়ে প্ৰথমে শিলচৰৰ দাস কলনী এলেকাত অভিযান চলায় ৩ জন লোকক আটক কৰাৰ লগতে কেইবাখনো বহী, ৭ টা ম'বাইল ফোন আৰু নগদ ধন জব্দ কৰে। ইয়াৰ পাছত আশ্ৰম ৰোড এলেকাত চলোৱা দ্বিতীয়টো অভিযানত আৰক্ষীয়ে নগদ ধন আৰু দুটা ম'বাইল ফোন সহ আন এজন লোকক আটক কৰে। ধৃত লোক কেইজনে দীৰ্ঘ দিন ধৰি অনলাইন এপৰ জৰিয়তে আই পি এল বাজি লগাই আহিছিল। জুৱা চক্ৰটোৰ আৰ্থিক লেন দেন ৫০ লাখ টকাৰো অধিক বুলি আৰক্ষীয়ে জনাইছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰ ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে, মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে।

০০০০০